Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

# নৱম শ্ৰেণীৰ বাবে

## প্ৰথম ভাগ

## অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বৈকল্পিক)

**পাঠ - ১৬**

# সন্মান



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

অংশ - ১

প্ৰণীতা শৰ্মা বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

# লেখক-পৰিচয়


স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱা

**হেমচন্দ্ৰ বৰুৱা —**

১৮৩৫ চনত শিৰসাগৰ ৰজাবাহৰ গাঁৰত মুক্তাৰাম বৰুৱাৰ পুত্ৰ হেমচন্দ্ৰ বৰুৱাৰ জন্ম। ইংৰাজী ভাষাৰ জ্ঞান আয়ত্ত কৰাৰ পিছত তেওঁ চৰকাৰী চাকৰি কৰিবলৈ লৈছিল। ১৮৯৬ চনত গুৱাহাটীত তেওঁ জীৱনৰ শেষ নিশ্বাস পেলায়। অসমীয়া ভাষাৰ নতুন যুগৰ দুৱাৰ মুকলি আৰু বৰ্ণবিন্যাসৰ খেলিমেলি আঁতৰ কৰোঁতাসকলৰ ভিতৰত বৰুৱাদেৱ অন্যতম ব্যক্তি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কেইবাখনিও গ্ৰন্থ ৰচনা কৰি তেওঁ অসমীয়া সাহিত্যৰ সমৃদ্ধি সাধন কৰে। তেওঁ লিখা গ্ৰন্থবোৰ হ'ল- 'হেমকোষ', 'অসমীয়া ব্যাকৰণ', 'পঢ়াশলীয়া অভিধান', 'অসমীয়া ল'ৰাৰ ব্যাকৰণ', 'বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী', 'কানীয়া কীৰ্তন', 'পাঠমালা', 'আদিপাঠ', 'স্বাস্থ্যৰক্ষাৰ নিয়ম' আৰু 'অসমীয়া বিবাহ পদ্ধতি'। তেওঁ 'আসাম নিউজ' কাকতৰ সম্পাদকো আছিল।

'সন্মান' নামৰ প্ৰবন্ধটি বৰুৱাদেৱৰ 'পাঠমালা' পুথিৰপৰা লোৱা হৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

# সন্মান




ঈশ্বৰ, পিতৃ-মাতৃ, শিক্ষক, দেশৰ অধিকাৰ আৰু বুঢ়া লোক, এইসকল সন্মানৰ পাত্ৰ।

যি আদি কাৰণৰ পৰা এই পৰিদৃশ্যমান জগতৰ উৎপত্তি হৈছে, সেই কাৰণৰ নামেই ঈশ্বৰ। তেওঁ সকলোৰে আদি, কিন্তু তেওঁৰ আদি নাই, সকলোৰে অন্ত আছে, তেওঁৰ অন্ত নাই। তেওঁ দেৱতাৰো দেৱতা, বিধাতাৰো বিধাতা, ৰজাৰো ৰজা আৰু সকলোৰে সৃষ্টি আৰু পালন কৰ্তা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এতেকে তেওঁক শ্রদ্ধা আৰু ভক্তি কৰা সকলোৰে উচিত। পৃথিৱীত মানুহৰ যত মান্য লোক আছে, তেওঁ সেই সকলোবিলাকতকৈ অধিক মান্য। সকলো দেশৰ, সকলো জাতিৰ, সকলো ধর্মৰ জ্ঞানী লোকবিলাকে তেওঁক বিশ্বাস আৰু ভক্তি কৰে আৰু যাৰ তেওঁত শ্রদ্ধা-ভক্তি নাই, তাক নাস্তিক বুলি ঘিণায়। এতেকে তোমাৰ সমুদায় মন, বুদ্ধি আৰু শক্তিৰে তেওঁক শ্রদ্ধা আৰু ভক্তি কৰিবা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ঈশ্বৰৰ পাচতে পিতৃ-মাতৃ আমাৰ মাননীয়; তেওঁবিলাকেই আমাক জন্ম দিছে আৰু তেওঁলোকৰ পৰাই আমি এই বিচিত্ৰ সংসাৰ দেখিবলৈ পাইছোহঁক। আমি যেতিয়া কেঁচুৱা আছিলোঁ, আমাৰ উঠি-পৰি ফুৰিবৰ শক্তি নাছিল, তেতিয়া তেওঁবিলাকে কত দুখ সহি, কোলাত লৈ আমাক তুলিছিল; আমি নাখালে তেওঁবিলাকৰ আহাৰত ৰুচি নহৈছিল; আমি গাত দুখ পালে বা নৰিয়া পৰিলে শোকত বিহ্বল হৈ তেওঁবিলাকে আমাৰ আৰোগ্যৰ নিমিত্তে যত্ন কৰিছিল; আনকি আমাৰ কুশলৰ কাৰণে প্ৰাণকে উচৰ্গিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আমি অলপ ডাঙৰ হ'লত সিবিলাকে আমাক জ্ঞান-বিদ্যা শিকাই ভাল লোক কৰিবৰ নিমিত্তে পাৰে মানে যত্ন কৰিছিল আৰু এতিয়াও আমি ধনী, মানী, যশস্বী হ'লে সিবিলাকৰ আনন্দৰ সীমা নাথাকে; কিন্তু আমাৰ দুৰ্যশ বা দুৰ্ভাগ্যৰ কথা শুনিলে মুখ মলিন আৰু চকু লোতকেৰে পূৰ হয়; সেই পিতৃ-মাতৃতকৈ মনুষ্যৰ ভিতৰত আন কোনো আমাৰ অধিক মান্য নহয়। এতেকে আমি সদায় তেওঁলোকৰ আজ্ঞা মানিব আৰু সিবিলাকক সন্মান কৰিব লাগে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আৰু তেওঁবিলাকৰ বুঢ়া কালত আমাৰ শক্তি অনুসাৰে শুশ্ৰূষা কৰা আৰু পোহ-পাল দি তেওঁবিলাকক সুখেৰে ৰখাও আমাৰ কৰ্তব্য। কণা মানুহক যিজনে চকু দিয়ে, তেওঁ যে কণাৰ পৰম উপকাৰী আৰু মান্য, তাত একো সংশয় নাই। সেইৰূপে শিক্ষকেও ছাতৰক চকু দিয়ে। ছাতৰে চকু থাকোঁতেও যি বস্তু নেদেখি আৰু যি কথা নুবুজি কণাৰ নিচিনা হৈ থাকে, অধ্যাপকৰ অনুগ্ৰহত চকু মুকলি হৈ তাক দেখিব আৰু বুজিব পৰা হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অৰুণোদয়

এনে অধ্যাপকৰ প্ৰতি যি সন্মান নকৰে, তাৰ সমান অশলাগী মানুহ নাই। আমাৰ শাস্ত্ৰত লিখা আছে যে অধ্যাপকে যদি এটি মাথোন আখৰ ছাতৰক শিকায়, তেওঁ পৃথিৱীত এনে বস্তু নাই, যাক দি ছাতৰে সেই শিক্ষকৰ ধাৰ শুজিব পাৰে। এতেকে তুমি তোমাৰ শিক্ষকৰ প্ৰতি মান-সৎকাৰ কৰিবা আৰু তেওঁৰ বশ হ'বা।

দেশৰ অধিকাৰসকল দুষ্টৰ দমন আৰু শিষ্টৰ পালন কৰোঁতা। যি দেশৰ অধিকাৰ নাই; শাসনকৰ্তা নাই, সেই দেশ অৰাজক আৰু ধুমুহা বতাহত গুৰিয়াল নথকা নাৱৰ দৰে অস্থিৰ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তাত সকলো মানুহে স্বপ্রধান হৈ আপোনাৰ ইচ্ছাৰ দৰে আচৰণ কৰে। এই কাৰণে, নিজ বলেৰে নোৱাৰিলে মানুহৰ ধন-প্রাণৰ ৰক্ষাই টান হয় আৰু কাৰো সুখ-শান্তিও নাথাকে। কিন্তু দেশৰ অধিকাৰীসকলে দুষ্টক দমি সন্তক পালন কৰা হেতুকেও কাৰো প্রতি অন্যায় কৰিব নোৱাৰে আৰু শান্তি দেশত প্রবল হয়। এতেকে যিসকলৰ ভয়ত চোৰ, ডকাইত আৰু আন দুষ্ট মানুহবিলাক শঙ্কিত হৈ থকাৰ কাৰণে আমাৰ ধন, প্রাণ আৰু মান ৰক্ষা পৰিছে আৰু আমি নির্ভয়

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মনেৰে আছোহঁক, সেই শাসনকর্তাসকল আমাৰ অৱশ্যে মান্য, আমি তেওঁলোকৰ শলাগ ল'ব আৰু সিবিলাকক সন্মান কৰিব লাগে।

যি লোক তোমাতকৈ কোনো কথাত শ্রেষ্ঠ, তেৱেঁই তোমাৰ মান্য; বুঢ়া মানুহবিলাক তোমাতকৈ বয়সে শ্রেষ্ঠ, তেওঁবিলাকৰ কোনোজন তোমাৰ জ্যেষ্ঠ ভ্রাতৃৰ, কোনোজন মাতৃৰ, কোনোজন বা পিতৃৰ বয়সীয়া আৰু কোনোজন তোমাতকৈ বহুদর্শী। এতেকে তুমি তেওঁবিলাকৰ প্রতি সমুচিত সন্মান কৰিব লাগে আৰু সিবিলাক নিঃকিন হ'লেও উপহাসৰ যোগ্য নহয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

# শব্দাৰ্থ আৰু টোকা

বিহ্বল : ভয় বা শোকত অতিশয় আতুৰ।

নাস্তিক : ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ নকৰা; নিৰীশ্বৰবাদী।

শিষ্ট : নম্ৰ; সজ

মলিন : অপৰিষ্কাৰ, লেতেৰা, স্বাভাৱিক ৰং বা আভা নথকা; ম্লান

লোতক : চকুৰ পানী; চকুলো; অশ্ৰু

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

# পাঠবোধ

সন্মান মানে হৈছে গুণ, পদমর্যাদা, জ্যেষ্ঠতা আদিৰ ভিত্তিত লাভ কৰা শ্রদ্ধা বা আদৰ। এজনে আনজনৰ প্রতি দেখুওৱা শ্রদ্ধা বা আদৰেই সন্মান। আমাৰ ব্যক্তিগত আৰু সামাজিক উভয় জীৱনতে এই শ্রদ্ধা, আদৰ বা সন্মান অপৰিসীম। সমাজ পাতি বাস কৰা প্রত্যেকেই প্রত্যেকক উপযুক্ত সন্মান প্রদর্শন কৰিলে সমাজখন শৃংখলিত হৈ থাকে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাঠটোত প্ৰকৃত সন্মানৰ পাত্ৰ কোন, সেইসকলক কিয় আৰু কেনেকৈ সন্মান বা শ্ৰদ্ধা কৰিব লাগে, সন্মান প্ৰদৰ্শনে মানুহক কিদৰে মহান কৰে তাৰে এটি আভাস দিবলৈ যত্ন কৰিছে। হেমচন্দ্ৰ বৰুৱা যে নিভাঁজ আৰু সহজ-সৰল অসমীয়া লিখাৰ পক্ষপাতি সেই কথাও প্ৰবন্ধটিৰ মাজেৰে প্ৰকাশ পাইছে।

Under CSR Support by ipca Foundation

# মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। 'তেওঁ দেৱতাৰো দেৱতা, বিধাতাৰো বিধাতা, ৰজাৰো ৰজা'- তেওঁ হৈছে ঃ

(ক) পিতৃ-মাতৃ

(খ) শিক্ষাগুৰু

গ) জ্যেষ্ঠজন

✓ ঘ) ঈশ্বৰ

# মূল্যায়ন





২। 'হেমকোষ' হৈছে ঃ

(ক) আদিপাঠ

(খ) পাঠমালা

গ) স্বাস্থ্য ৰক্ষাৰ নিয়ম

ঘ) অভিধান

Under CSR Support by
ipca | Foundation

# মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৩। তলৰ শব্দবোৰৰ সমাৰ্থক শব্দ লিখা ঃ

নৰিয়া, জগত, লোতক, চকু, হেতু, মান

ৰোগ, পৃথিৱী, চকুলো, নেত্ৰ, কাৰণে, সন্মান

Under CSR Support by
ipca | Foundation

# মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৪। বিপৰীত শব্দ লিখা ঃ

শ্রদ্ধা, শলাগ, আদি, দুষ্ট, জ্যেষ্ঠ, ন্যায়

ঘৃণা অশলাগ অনাদি শান্ত কনিষ্ঠ অন্যায়